# Prime Minister’s Departure Statement ahead of his visit to Germany and UAE (June 26-28, 2022)

June 25, 2022

# জাৰ্মানী আৰু ইউএই ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰীৰ বিবৃতি (26-28 জুন, 2022)

জুন 25, 2022

জাৰ্মানীৰ অধ্যক্ষাধীন জি-৭ সন্মিলনলৈ জাৰ্মানীৰ চেন্সেলৰ মহামহিম শ্ৰী অলাফ স্ক'লজৰ আমন্ত্ৰণমৰ্মে মই জাৰ্মানীৰ শ্বলছ এলমাউ ভ্ৰমণ কৰিবলৈ আগবাঢ়িছো। যোৱা মাহত ফলপ্ৰসূ ভাৰত-জাৰ্মানী আন্তঃচৰকাৰী আলোচনা (IGC)ৰ পিছত পুনৰ চেন্সেলৰ স্ক'লজক লগ পাবলৈ আগ্ৰহী হৈ উঠিছো।

মানৱতাক প্ৰভাৱিত কৰা গুৰুত্বপূৰ্ণ বৈশ্বিক বিষয়সমূহৰ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সুদৃঢ়কৰণৰ প্ৰয়াস হিচাপে জাৰ্মানীয়ে আৰ্জেন্টিনা, ইণ্ডোনেছিয়া, চেনেগাল আৰু দক্ষিণ আফ্ৰিকাৰ দৰে আন-আন গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহকো জি-৭ সন্মিলনলৈ আমন্ত্ৰণ জনাইছে। সন্মিলনখনিৰ অধিবেশনসমূহৰ সময়ত মই জি-৭ দেশ, জি-৭ অংশীদাৰ দেশ আৰু অতিথি আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে পৰিবেশ, শক্তি, জলবায়ু, খাদ্য সুৰক্ষা, স্বাস্থ্য, সন্ত্ৰাসবাদ-দমন, লিংগ সমতা আৰু গণতন্ত্ৰৰ দৰে প্ৰাসংগিক বিষয়সমূহৰ সন্দৰ্ভত মত-বিনিময় কৰিম। সন্মিলনখনিৰ সমান্তৰালভাৱে একাংশ অংশগ্ৰহণকাৰী জি-৭ আৰু অতিথি দেশসমূহৰ নেতাসকলৰ সৈতে মিলিত হ'বলৈ মই আগ্ৰহী হৈ উঠিছো।

জাৰ্মানীত থকাৰ সময়ছোৱাত মই সমগ্ৰ ইউৰোপৰ প্ৰবাসী ভাৰতীয় সদস্যসকলকো লগ পাবলৈ উদগ্ৰীৱ হৈ উঠিছো। তেওঁলোকে স্থানীয় অৰ্থনীতিলৈ অপৰিসীম বৰঙণি আগবঢ়োৱাৰ লগতে ইউৰোপীয় দেশসমূহৰ সৈতে আমাৰ সম্পৰ্কও সমৃদ্ধ কৰিছে।

ভাৰতলৈ উভতি অহাৰ পথত মই ২০২২ ৰ ২৮ জুনত ইউএইৰ ৰাষ্ট্ৰপতি আৰু আবুধাবিৰ শাসক মহামহিম শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানৰে মিলিত হ'বলৈ ইউএইৰ আবুধাবিত চমু সময়ৰ বাবে ৰ'ম। ইয়াতে ইউএইৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু আবুধাবিৰ শাসক শ্বেইখ খলিফা বিন জায়েদ আল নাহিয়ানৰ দেহাৱসানৰ পৰিপ্ৰেক্ষিতত সমবেদনা জ্ঞাপন কৰিম।

নতুন দিল্লী

জুন 25, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.